# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
***- - - - - - -***

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বাৰানসী সমষ্টিৰ পৰা তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত অহা ১ জুনত এই সমষ্টিটোৰ বাবে ভোটগ্ৰহণ কৰা হ'ব আৰু এই পৰ্যায়ৰ বাবে আজি হৈছে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। আজি পুৱা শ্ৰী মোদীয়ে পৱিত্ৰ গংগাত স্নান কৰি কাশীৰ কালভৈৰৱ মন্দিৰত পূজা-অৰ্চনা কৰি আশীৰ্বাদ লোৱাৰ পাছত তেওঁৰ মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিং আৰু হৰদীপ সিং পুৰীকে ধৰি মিত্ৰজোঁটৰ - চন্দ্ৰবাবু নাইডু, একনাথ সিন্দে, জিতন ৰাম মাঝি, সঞ্জয় নিশ্বাদ, ৰামদাস আঠাৱালে প্ৰমুখ্যে কেইবাগৰাকীও নেতা উপস্থিত থাকে।  এই কাৰ্যসূচীত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথও উপস্থিত থাকে।

কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী আই এন ডি আই মিত্ৰজোঁটৰ উমৈহতীয়া প্ৰাৰ্থী অজয় ৰায় শ্ৰীমোদীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনত শ্ৰীমোদীৰ বিৰুদ্ধে বাৰানসীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা উত্তৰ প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী শ্ৰী ৰায় দুয়োটা নিৰ্বাচনতে তৃতীয় স্থানত থাকে। ২০১৯ চনৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী মোদীয়ে সমাজবাদী পাৰ্টীৰ শালিনী যাদৱক ৪ লাখ ৭৯ হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিছিল।

ooooo

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত ৩টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ বনগাঁও লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে জনসাধাৰণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে জনসাধাৰণক এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ চতুৰ্থ পৰ্যায়লৈকে নিৰ্বাচন অনুষ্ঠিত ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব বুলি মন্তব্য কৰে। ইফালে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লয়।

কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি উত্তৰ প্ৰদেশৰ বাঁশ গাঁৱত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব বুলি উল্লেখ

কৰে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উড়িশাৰ ভুবনেশ্বৰত এখন জনসভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে দেশক প্ৰগতিৰ পথত আগবঢ়াই নিয়াৰ বাবে এন ডি এক সমৰ্থন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

ooooo

অৰুণাচল প্ৰদেশত যোৱা ১২ মে'ৰ পৰা প্ৰথম ছিয়াং জৈৱ বৈচিত্ৰ সন্মিলন-২০২৪ অনুষ্ঠিত হৈছে। অহা ১৮ মে'ত এই সন্মিলনৰ সামৰণি পৰিব। সপ্তাহজোৰা এই সন্মিলনত জৈৱ বৈচিত্ৰ সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে আপাৰ ছিয়াং জিলাত শেহতীয়াকৈ ১০টা নতুন প্ৰজাতিৰ মথ আৱিষ্কাৰ কৰা হৈছে। এই আৱিষ্কাৰে জিলাখনত ছিয়াং জৈৱ বৈচিত্ৰ সন্মিলন আয়োজনৰ পথ প্ৰসস্ত কৰিলে। উল্লেখযোগ্য যে এটা জৰীপৰ সময়ত ৰাজ্যখনত ২৫০টা প্ৰজাতিৰ পখিলা, ৬৫০টা মথৰ প্ৰজাতি আৰু ২০০টা পক্ষী প্ৰজাতি থকাটো নিশ্চিত কৰা হৈছিল।

ooooo

এছিয়া আৰু বিশ্ব ব'ডি বিল্ডিং চেম্পিয়নশ্বিপৰ বাবে মাজুলীৰ পবিত্ৰ নাথে ভাৰতীয় দলত স্থান লাভ কৰিছে। যোৱা ১১ আৰু ১২ মে'ত কেৰালাৰ ক'চিত অনুষ্ঠিত যোগ্যতা নিৰূপণকাৰী খেলৰ জৰিয়তে খেলুৱৈগৰাকীয়ে দলটোত স্থান লাভ কৰে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে দক্ষিণ এছিয় ক্ৰীড়া সমাৰোহত সোণ আৰু বিশ্ব ব'ডি বিল্ডিং এণ্ড ফিজিক চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

ooooo

যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এটা বিশেষ সা-সুবিধা থকা অগ্নিদগ্ধ লোকৰ চিকিৎসাৰ কক্ষ স্থাপনৰ বাবে আজি মহাবিদ্যালয় কৰ্তৃপক্ষৰ সৈতে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ লিমিটেডৰ মাজত এখন চুক্তি স্বাক্ষৰ হয়। ১১ কোটি ৮৩ লাখ টকাৰ এই চুক্তিখনৰ জৰিয়তে আধুনিক চিকিৎসা ব্যৱস্থাৰে সজ্জিত কক্ষটো মহাবিদ্যালয়খনৰ তৃতীয় মহলাত স্থাপন কৰা হ'ব। এই কক্ষটো কাৰ্যক্ষম হৈ উঠিলে যোৰহাটকে ধৰি উজনি অসমৰ বহু লোকৰ সুবিধা হ'ব বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰে কয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

মাজুলীৰ দেউদিআটি গাঁও নিবাসী আদৰ্শ কৃষক জিউৰাম বৰাৰ বাৰ্ধক্যজনিক কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ।

ooooo

সমাপ্ত